*Total number of pages—8*

**25T MASS**

# 2015

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

Contd.

১। তলৰ **যিকোনো সাতোটা** প্ৰশ্নৰ উত্তৰ কৰা ঃ ১×৭=৭

(ক) খোৰা মৰাণৰ পুতেক কোন?

(খ) 'ওমৰ তীৰ্থ' কাব্যপুথিৰ মূল কি?

(গ) যতীন্দ্ৰনাথ দুৱৰাই সাহিত্য অকাডেমি লাভ কৰা কবিতা পুথিখনৰ নাম কি?

(ঘ) আনন্দৰাম বৰুৱাই ল'ৰাকালতে কণ্ঠস্থ কৰা গ্ৰন্থখনৰ নাম কি?

(ঙ) 'সমুদ্ৰ মন্থন' পাঠটি কাৰ ৰচনা?

(চ) 'কামসেন্দুৰ' কবিতা পুথিখনৰ ৰচক কোন?

(ছ) 'মলাট' শব্দৰ অৰ্থ কি?

(জ) অসমীয়া কথাছবিৰ জনক কোন?

(ঝ) দাঁতৰ পোকবোৰ প্ৰকৃততে কি?

২। তলৰ **যিকোনো সাতোটা** প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৭=১৪

(ক) মিলাৰামৰ উপৰিপুৰুষৰ নাম কি? তেওঁ কিমান শকত বা শকাব্দত অসমলৈ আহিছিল?

(খ) যতীন্দ্ৰনাথ দুৱৰাৰ *'মগনিয়াৰ'* কথা-কবিতাটো কোনগৰাকী ৰুচ সাহিত্যিকৰ কোনটো কবিতাৰ লগত সাদৃশ্য আছে?

(গ) আনন্দৰাম বৰুৱাক কিহে মহৎ আৰু অমৰ কৰি তুলিছে?

(ঘ) যান্ত্ৰিক সভ্যতাই আজি আগুৱাই আহি কি পথৰ সৃষ্টি কৰিছে?

(ঙ) প্ৰকৃততে ত্যাগ বা বৈৰাগ্য কি?

(চ) ৰমাকান্তই নপঢ়াৰ কাৰণ কি বুলি কৈছিল?

(ছ) প্ৰমথেশ বৰুৱাৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল?

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাই ভোলাগুৰিত কি কি সামগ্ৰীৰে 'ষ্টুডিঅ' নিৰ্মাণ কৰিছিল?

(ঝ) 'বিজ্ঞান' বুলিলে কাক বুজায়?

৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 8× ১=8

(ক) মিলাৰামে জীৱনচৰিত লিখিব লোৱাৰ মূল কাৰণ *চাৰিটা* কি কি?

(খ) ৰমাকান্তৰ চৰিত্ৰটো চমুকৈ বিশ্লেষণ কৰা।

(গ) আমি বৈজ্ঞানিক মানসিকতা কেনেদৰে গঢ় দিব পাৰোঁ?

৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৫× ১=৫

(ক) একাগ্ৰতা গুণে আনন্দৰামক কেনেদৰে সহায় কৰিছিল?

(খ) গুৰুৱে বিদ্যাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পিছত কি কি উপদেশ দিছিল?

(গ) বিজ্ঞানৰ আৱিষ্কাৰো এদিন মানৱ সভ্যতাৰ ধ্বংসৰ কাৰণ হৈ পৰিব পাৰে নেকি? 'সমুদ্ৰ মন্থন' পাঠটিৰ সহায়ত আলোচনা কৰা।

৫। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১× ৫=৫

(ক) মহাপুৰুষ শংকৰদেৱে কোন স্থানত ভৱলীলা সম্বৰণ কৰে?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত কেনেধৰণৰ দৰ্শনৰ প্ৰকাশ ঘটিছে?

(গ) 'শেষ অৰ্ঘ্য' কবিতাটি কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্গত?

(ঘ) 'প্ৰবুদ্ধ' শব্দৰ অৰ্থ কি?

(ঙ) কাঠমিস্ত্ৰী ক'ত থাকিবলগীয়া হয়?

(চ) 'পছোৱা' আলোচনীখন কোনে সম্পাদনা কৰিছিল?

(ছ) কবিৰ জীয়াই থকাৰ মন্ত্ৰ কি?

(জ) কোনখন গ্ৰন্থৰ বাবে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰে?

৬। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৫=১০

(ক) বালক কৃষ্ণই ক'ত বহি কেনেদৰে বেণু (বাঁহী) বজাইছিল?

(খ) নলিনীবালা দেবীৰ জীৱনীগ্ৰন্থ দুখনৰ নাম লিখা।

(গ) জ্যোতিপ্ৰসাদৰ গীতসমূহত কোন দুটা সুৰ ধ্বনিত হৈছে?

(ঘ) কাঠমিস্ত্ৰীয়ে কি কি কাঠক মনোহৰ ৰূপ দিয়ে?

(ঙ) 'জয়ন্তী' আলোচনীখন কোন দুগৰাকী ব্যক্তিৰ দ্বাৰা সম্পাদিত হৈছিল?

(চ) ড° নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন গৱেষণামূলক গ্ৰন্থৰ নাম লিখা।

৭। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৩×২=৬

(ক) বালক কৃষ্ণই কাৰ সৈতে, কেনেদৰে বৃন্দাবনলৈ গৈছিল, লিখা।

(খ) 'চিতাগ্নি হোমাগ্নি হ'ব' — কথাষাৰৰ তাৎপৰ্য কি?

(গ) কাঠমিস্ত্ৰীৰ শ্ৰমৰ এটি চমু বৰ্ণনা দিয়া।

(ঘ) কবি নৱকান্তই কিয় পৃথিৱীলৈ উভতি নাহোঁ বুলি ভাবিছে, চমুকৈ লিখা।

৮। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ **(যিকোনো এফাঁকি)** ৪× ১=৪

(ক) সত্ত্বঃ ৰজঃ তমো গুণ
সকলোতে নিৰগুণ
বোলে শুনু বিশ্বগিৰি সেই মহাজন।

(খ) অভিন্নৰ এক জীৱনৰ ৰূপ
পুষ্পিত কৰি তুলিবলৈ
আজি মানৱৰ জন জীৱনৰ
সংহত অভ্যুত্থান।

(গ) আঘোণৰ পথাৰত দাৱনীৰ কাম আছে
মুঠি মুঠি ডাঙৰি ডাঙৰি,
কাম আছে
আঘোণৰ পথাৰত কাম আৰু কাম।

৯। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ** ১× ২=২

(ক) ব্যক্তিয়ে মূল্যবোধ কিহৰ পৰা আয়ত্ত কৰে?

(খ) নৈতিক শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি?

(গ) আন্তঃৰাষ্ট্ৰীয় শিক্ষা আয়োগ কিমান চনত গঠিত হৈছে?

১০। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা ঃ** ২× ২=৪

(ক) কেনেধৰণৰ কাৰ্যৰ মূল্য আছে বুলি ক'ব নোৱাৰি?

(খ) কিশোৰ অৱস্থাপ্ৰাপ্তি *কোন দুটি* ক্ষেত্ৰত আগতীয়া হয়?

(গ) কৈশোৰ কালক *কি কি দুখন* জগতৰ সংযোগী কাল বুলিব পাৰি লিখা।

১১। যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ  ৪× ১=৪

(ক) 'ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে' উল্লেখ কৰা **১০টা** মূল্যবোধ কি কি?

(খ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা **চাৰিটা** প্ৰাথমিক আৰু মৌলিক বিষয় কি কি?

১২। (ক) পুৰুষবাচক প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাত পুৰুষবাচক প্ৰত্যয়সমূহ কি কি? উদাহৰণ দি বুজাই লিখা।  ২+২+৩=৭

*অথবা*

(খ) কৃৎ আৰু তদ্ধিৎ প্ৰত্যয় কাক বোলে? প্ৰতিবিধৰ উদাহৰণ দি বুজাই লিখা।  ২+২+৩=৭

১৩। তলৰ **যিকোনো** পাচঁটা শব্দৰ প্ৰত্যয় ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখা।  ১×৫=৫

লাগতিয়াল, শ্ৰীমতী, জিৰণি, নাৱৰীয়া, সাৰুৱা, গাঁৱলীয়া, ৰুগীয়া, ফুলাম।

১৪। তলত দিয়া খণ্ডবাক্যবোৰৰ অৰ্থ লিখি *একোটাকৈ* বাক্যৰচনা কৰা ঃ **(যিকোনো চাৰিটা)**  ২×৪=৮

কপাল ফুটা, বুকুৰ তেজ, হাড় পেলা, কুন্দত কটা, পেট মচা, ধোঁৱা-খুলীয়া।

১৫। তলত দিয়া **যিকোনো এটি** বিষয় লৈ এখন ৰচনা লিখা ঃ  ১৫

(ক) তোমাৰ প্ৰিয় সাহিত্যিক

(জন্ম — শিক্ষা আৰু কৰ্মজীৱন — সাহিত্য সম্ভাৰৰ পৰিচয় — প্ৰিয় হোৱাৰ কাৰণ — সামৰণি।

(খ) গ্ৰন্থ অধ্যয়নৰ আৱশ্যকতা

(আৰম্ভণি — বিদ্যাৰ্থী জীৱন আৰু গ্ৰন্থ — সামাজিক জীৱন আৰু গ্ৰন্থ — চৰিত্ৰবোধ আৰু গ্ৰন্থ অধ্যয়ন — মূল্যবোধ আৰু গ্ৰন্থ অধ্যয়ন — গ্ৰন্থৰ প্ৰকাৰ — সামৰণি)

(গ) বিজ্ঞান আৰু আধুনিক প্ৰযুক্তি

(আৰম্ভণি — সভ্যতা আৰু বিজ্ঞান — সমাজ জীৱনত আধুনিক প্ৰযুক্তিৰ প্ৰভাৱ — প্ৰযুক্তিৰ সম্প্ৰসাৰণ আৰু প্ৰয়োগ — প্ৰকৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ — সামৰণি)

(ঘ) পৰিৱেশ প্ৰদূষণ

(আৰম্ভণি — পৰিৱেশ প্ৰদূষণৰ কাৰণ — প্ৰদূষণ ৰোধ কৰাৰ উপায় — পৰিৱেশ ৰক্ষাত ব্যক্তি আৰু সমাজৰ দায়িত্ব — সামৰণি)

——×——